## ১০.১ আদ্যপৃষ্ঠদণ্ডী প্ৰাণীৰ সাধাৰণ লক্ষণসমূহ (General Characters of Protochordates) ঃ

(১) সকলোবোৰ আদ্যপৃষ্ঠদণ্ডী প্ৰাণীয়েই সাগৰীয় আৰু একাকী।

(২) এটা স্বচ্ছ আৱৰণী কলা অথবা টিউনিক স্বৰৰ দ্বাৰা দেহটো আবৃত হৈ থাকে।

(৩) উপাস্থিযুক্ত কংকাল অথবা অস্থিযুক্ত কংকাল নাথাকে।

(৪) ফেৰিংছত চিলিয়াযুক্ত কিছুমান ক্লোমৰন্ধ্ৰ থাকে।

(৫) পৃষ্ঠদণ্ড সকলোবোৰতে থাকে, যদিও কিছুমানত গোটেই দেহজুৰি থাকে, কিছুমানত শিৰ অংশত থাকে, আকৌ কিছুমানৰ নেজ অংশতহে থাকে।

(৬) উপাংগ, শিৰস্কীকৰণ আৰু বহিঃকংকাল নাথাকে।

(৭) লাওখোলা আৰু মেৰুদণ্ড নাথাকে।

(৮) পৰিবহন তন্ত্ৰ হৃদযন্ত্ৰ, ৰক্ত নলিকা আৰু ছাইনাছৰ দ্বাৰা গঠিত। তেজ বৰণহীন।

(৯) নেফ্ৰিডিয়া আদিম (Protonephridia) ধৰণৰ।

(১০) স্নায়ুতন্ত্ৰ আদিম ধৰণৰ। অৱশ্যে, শিৰষ্ক পৃষ্ঠদণ্ডীত তুলনামূলকভাৱে সুবিকশিত, কিন্তু পুচ্ছ পৃষ্ঠদণ্ডীত ভ্ৰূণাৱস্থাতহে থাকে।